# ভাৰতীয় দৰ্শনৰ সাধাৰণ বৈশিষ্ট্য

পম্পি হাজং
স্নাতক, ১ম বৰ্ষ (দৰ্শন বিভাগ)

ভাৰতীয় দৰ্শন আৰম্ভ হৈছে সত্যৰ সন্ধানত। 'দৰ্শন' শব্দটোৰ অৰ্থ হৈছে 'সত্যৰ দৰ্শন'। অৰ্ন্তদৃষ্টিৰ সহায়ত সত্য উপলব্ধি কৰা হয়। দৰ্শনৰ ইংৰাজী প্ৰতিশব্দ 'ফিলচফি' (Philosophy) দুটি গ্ৰীক শব্দৰ সহায়ত উদ্ভৱ হৈছে - Philos আৰু Sophia. Philos মানে প্ৰীতি বা অনুৰাগ আৰু Sophia মানে জ্ঞান। অৰ্থ্যাৎ 'Philosophy' ৰ অৰ্থ হ'ল 'জ্ঞান-প্ৰীতি' বা 'জ্ঞানৰ প্ৰতি অনুৰাগ'।

ভাৰতীয় দৰ্শনে অৰ্ন্তজ্ঞানৰ সহায়ত লাভ কৰা অভিজ্ঞতা সমূহৰ যুক্তিসহ আলোচনা আৰু বিচাৰ কৰে। যুক্তিতৰ্ক প্ৰয়োগ নকৰিলে দৰ্শন হ'ব নোৱাৰে। গতিকে দৰ্শন হ'ল অৰ্ন্তজ্ঞানত লাভ কৰা তত্ত্বসমূহৰ সবিচাৰ আলোচনা।

পৰম্পৰাগতভাৱে ভাৰতীয় দৰ্শনসমূহক দুটা মুখ্য ভাগত ভাগ কৰা হৈছে -

(১) বৈদিক বা আস্তিক।
(২) অবৈদিক বা নাস্তিক।

বৈদিক দৰ্শনসমূহে বেদৰ শিক্ষা আৰু চিন্তাক অনুসৰণ কৰে। বৈদিক দৰ্শনত ছটা ভাগ আছে- (১) সাংখ্য, (২) যোগ, (৩) মীমাংসা, (৪) ন্যায়, (৫) বৈশেষিক আৰু (৬) বেদান্ত।

আনহাতে অবৈদিক বা নাস্তিক দৰ্শন তিনিটা হ'ল -

(১) চাৰ্বাক দৰ্শন, (২) বৌদ্ধ দৰ্শন, (৩) জৈন দৰ্শন

এই তিনিটা দৰ্শনে বৈদিক শিক্ষা আৰু দৰ্শনক অস্বীকাৰ কৰিছে। বৈদিক দৰ্শনসমূহে বেদৰ কৰ্তৃত্ব স্বীকাৰ কৰে। গতিকে এই ছটা দৰ্শনক আস্তিক দৰ্শন বুলিও কোৱা হয়। চাৰ্বাক, বৌদ্ধ আৰু জৈন দৰ্শনক নাস্তিক বুলি কোৱা হয়। কাৰণ এই দৰ্শন তিনিটাই বেদৰ কৰ্তৃত্বক মানি নলয়।

**সাধাৰণ বৈশিষ্ট্য ঃ-**

(১) **বহল দৃষ্টিভংগী ঃ-** ভাৰতীয় দৰ্শনৰ প্ৰতিটো ভাগেই প্ৰগতিশীল দৃষ্টিভংগীৰ অধিকাৰী। কাৰণ ভাৰতীয় পৰম্পৰা মতে এটা দৰ্শন প্ৰতিষ্ঠা কৰিবলৈ হ'লে অন্য এটা দৰ্শন খণ্ডন কৰাটো অতি জৰুৰী। ইয়াৰ ফলত ভাৰতীয় দৰ্শনত এটা বিশিষ্ট পদ্ধতিৰ উদ্ভৱ হৈছে। প্ৰত্যেক ভাৰতীয় দৰ্শনেই পাৰস্পৰিক

আলোচনাৰ মাধ্যমেৰে অতিশয় সমৃদ্ধ হৈছে। যিকোনো এটা শাখাৰ দৰ্শন অধ্যয়ন কৰিলে তাত অন্য শাখাসমূহৰ দৰ্শনৰো পৰিচয় পোৱা যায়। সত্যৰ অনুসন্ধান আৰু উপলব্ধিয়েই ভাৰতীয় দাৰ্শনিকৰ মূল লক্ষ্য - তেওঁলোকে গভীৰ নিষ্ঠাৰে এই লক্ষ্যত উপনীত হোৱাৰ চেষ্টা কৰে। গতিকে ভাৰতীয় দৰ্শনে নিৰ্বিচাৰে কোনো মতবাদেই মানি নলয়।

(২) **আধ্যাত্মিকতা ঃ-** আধ্যাত্মিক ভাৱধাৰা প্ৰতিখন ভাৰতীয় দৰ্শনৰ স্কুলতে বিৰাজমান। আধ্যাত্মিক চিন্তা ধাৰণা ভাৰতীয় দৰ্শনৰ মূল উপাদান। ভাৰতত সকলো দৰ্শনৰে উৎপত্তি তথা বিকাশ আৰম্ভ হয় আধ্যাত্মিক অস্থিৰতাৰ পৰা। জগত, জীৱন আৰু প্ৰাণৰ সম্পৰ্কই ভাৰতীয় দৰ্শনৰ মূল বিচাৰ্য্য বিষয়। এই সম্বন্ধে জ্ঞানৰ স্পৃহা বা বৌদ্ধিক তথা আধ্যাত্মিক অস্থিৰতাই বিভিন্ন দৰ্শনৰ বিকাশ সম্ভৱ কৰে। প্ৰতিটো দৰ্শনে সংসাৰৰ যন্ত্ৰণাৰ পৰা মুক্তিৰ পথ নিৰ্দেশনা আগবঢ়াইছে। সকলো দৰ্শনে (কেৱল চাৰ্বাকৰ বাহিৰে) মুক্তিক মানৱ জীৱনৰ শ্ৰেষ্ঠ প্ৰমূল্য বুলি স্বীকাৰ কৰিছে।

(৩) **অন্তৰসত্তাৰ ওপৰত গুৰুত্ব ঃ-** জগতখন দুভাগত বিভক্ত - বৰ্হিজগত আৰু অৰ্ন্তজগত। পাশ্চাত্য দৰ্শনত বৰ্হিজগতৰ ওপৰত অধিক গুৰুত্ব দিয়া হয় - বৰ্হিজগতৰ মূল তত্ত্বৰ অনুসন্ধান কৰাৰ ফলতে দাৰ্শনিক চিন্তাৰ উদ্ভৱ হয়। কিন্তু ভাৰতীয় দৰ্শনৰ বৈশিষ্ট্য হ'ল যে ইয়াত অৰ্ন্তজগতৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰা হয়। বৰ্হিজগতৰ বৈচিত্ৰ্য বিশ্লেষণ কৰি ভাৰতীয় দৰ্শনে অন্তৰসত্তাৰ অস্তিত্ব অনুমান নকৰে বৰঞ্চ অন্তৰসত্তা উপলব্ধি কৰি তাৰেই ভিত্তিত বৰ্হিজগত ব্যাখ্যা কৰাৰ চেষ্টা কৰে।

(৪) **জগত ব্যাপী এক সনাতন নৈতিক নিয়ম শৃংখলাত ভাৰতীয় দৰ্শনৰ বিশ্বাস ঃ-** ভাৰতীয় দাৰ্শনিকসকলৰ মতে এই জগত এক সনাতন নিয়ম শৃংখলাৰ অধীনত প্ৰত্যেক কাৰ্য্যৰ গুৰিতেই একো একোটা কাৰণ থাকে আৰু একো একোটা বিশেষ কাৰণৰ পৰাই একো একোটা বিশেষ কাৰ্য্যৰ উৎপত্তি হয়। এই সনাতন নিয়মক "ঋত' বোলা হয়। সনাতন নৈতিক নিয়ম শৃংখলা আছে বুলিয়েই এই জগতত সৎকাম কৰিলে পূণ্য লাভ আৰু অসৎ কাম কৰিলে পাপ ভোগ কৰে। কৰ্মবাদো মূলতঃ আমাৰ পাপ পূণ্যৰেই 'সংৰক্ষণমূলক নিয়ম'। মানুহ নিজেই আপোন ভাগ্যৰ নিৰ্মাতা। অসংখ্য নৈতিক নিয়মৰপৰা মানুহৰ পৰিত্ৰাণ নাই। সেয়ে মানুহে আপোন কৰ্ম অনুযায়ী ফল ভোগ কৰি থাকে।

(৫) **আত্মাৰ সনাতন সত্তাত ভাৰতীয় দৰ্শনৰ স্বীকৃতি ঃ-** চাৰ্বাক আৰু বৌদ্ধ দৰ্শনৰ বাহিৰে আন সকলো ভাৰতীয় দৰ্শনে আত্মাৰ সত্তাত বিশ্বাস কৰে। তেওঁলোকৰ মতে আত্মা দেহ-মনতকৈ বেলেগ। আত্মা নিত্য, শুদ্ধ, বুদ্ধ, মুক্ত আৰু চৈতন্যস্বৰূপ। এই আত্মাৰ অস্তিত্বৰ কাৰণেই 'ব্যক্তি অভিন্নতা' অনুভূত হয়।

(৬) **অবিদ্যাই মুক্ত আত্মাৰ বন্ধনৰ কাৰণ ঃ-** চাৰ্বাকৰ বাহিৰে ভাৰতৰ সকলো দাৰ্শনিকেই অবিদ্যা বা অজ্ঞানতাক আত্মাৰ বা জীৱৰ বন্ধনৰ কাৰণ বুলি স্বীকাৰ কৰে। জগত আৰু জীৱন সম্পৰ্কে প্ৰকৃত জ্ঞানৰ

অভাৱেই অবিদ্যা আৰু অবিদ্যাই জীৱৰ বন্ধন আৰু দুখৰ কাৰণ। চাৰ্বাকৰ বাহিৰে সকলো ভাৰতীয় দৰ্শনে কৰ্মফলবাদ আৰু জন্মান্তৰবাদত বিশ্বাসী। কৰ্মফলবাদৰ মতে সুকৰ্মই সুফল আৰু কুকৰ্মই কুফল দিয়ে। পৰজন্ম আৰু পূৰ্বজন্মৰ ধাৰণাটো কৰ্মফলবাদৰে তৰ্কীয় পৰিণতি। চাৰ্বাক বস্তুবাদে এই সূত্ৰক খণ্ডন কৰিছে।

ওপৰৰ আলোচনাৰ পৰা এটা কথা স্পষ্ট হৈ পৰিছে যে অতীজৰ ভাৰতীয় দৰ্শনৰ ইতিহাস অতিশয় গৌৰৱময়। যিকোনো ভাৰতীয় দাৰ্শনিক শাখা বিচাৰ কৰিলেই দেখা যায় যে ইয়াত আন আন দাৰ্শনিক শাখাৰ বৰ্ণনাও আছে। ভাৰতীয় দৰ্শনৰ বৈশিষ্ট্যবোৰৰ পৰা পূৰ্বৰ গৌৰৱময় চিন্তাধাৰাৰ এক আভাস পোৱা যায়। ❑